# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 05-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::**

পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি বিয়লি চাৰে ৪ বজাত সামৰণি পৰে। দ্বিতীয় পৰ্যায়ত পৰহিলৈ ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলাত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। এই নিৰ্বাচনৰ বাবে মুঠ ১২ হাজাৰ ১৩০টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে।

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ বাবে আজি ৰাজ্যিক নিৰ্বাচন আয়ুক্তই ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে গৃহ বিভাগৰ আৰক্ষী সঞ্চালক প্ৰধান, গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্তকে ধৰি সংশ্লিষ্ট জিলাসমূহৰ আয়ুক্তসকলৰ সৈতে আলোচনাত মিলিত হয়।

ইপিনে, পৰহিলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি যিকোনো ঠাইত ৫ জনতকৈ অধিক লোক সমবেত হোৱা, নিৰ্বাচনী কাম-কাজৰ বাবে কৰ্তৃত্বপ্ৰাপ্ত লোক বা আৰক্ষীৰ বাহিৰে অন্যান্য লোকে ভোটগ্ৰহণ কেন্দ্ৰৰ ১০০ মিটাৰ পৰিধিৰ ভিতৰত মোবাইল ফোনৰ ব্যৱহাৰ, ব্যক্তিগত সুৰক্ষাকৰ্মী থকা লোকক সুৰক্ষাকৰ্মীসহ ভোটগ্ৰহণ কেন্দ্ৰত প্ৰৱেশ আদি ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। একেদৰে নিৰ্বাচন হ'বলগীয়া জিলাসমূহত আজি বিয়লি চাৰে ৪ বজাৰ পৰা ৭ মে'ৰ বিয়লি চাৰে ৪ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে শিক্ষকসকলৰ বদলিকৰণৰ বাবে অনলাইন আবেদনৰ সময়সীমা ২০ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাথমিক, মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু সমগ্ৰ শিক্ষাৰ অধীনৰ শিক্ষকসকলে একক অথবা পাৰস্পৰিক বদলিৰ বাবে WWW.HRMSASSAM.IN প'ৰ্টেলৰ জৰিয়তে ২০ মে'ৰ মাজ নিশাপৰ্যন্ত আবেদন কৰিব পাৰিব। এই ক্ষেত্ৰত কোনোধৰণৰ অফলাইন আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০

অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে বেংক একাউণ্টৰ তথ্যৰ বিসংগতিৰ বাবে ৰাজ্যৰ এহেজাৰ ৩৬১ গৰাকী শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা নগদ ধন আঁচনিৰ ধন প্ৰদান কৰিব পৰা নাই বুলি প্ৰকাশ

কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত শিক্ষা সঞ্চালক মমতা হোজাইয়ে  সকলো জিলাৰ বিদ্যালয়ৰ পৰিদৰ্শকলৈ পত্ৰ প্ৰেৰণ কৰি নিজ নিজ শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলৰ একাউণ্টৰ তথ্যসমূহ শুদ্ধকৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে ২০২৪ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ৰাজ্যৰ মুঠ ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থী আনন্দৰাম বৰুৱা বঁটাৰ বাবে যোগ্য  বিবেচিত হৈছিল। কিন্তু বেংক একাউণ্টৰ তথ্যৰ বিসংগতিৰ বাবে  বিভিন্ন জিলাৰ এহেজাৰ ৩৬১ গৰাকী শিক্ষাৰ্থী বৰ্তমানলৈকে এই ধন লাভৰ পৰা বঞ্চিত হৈ আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

মৰিগাওঁ পকচ' আদালতে আজি নাৰালিকা ধৰ্ষণৰ গোচৰত  এজন লোকক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায় দিয়ে। জিলাখনৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত তৰাবৰী গাঁৱৰ ৰাছিম আক্ৰাম ওৰফে ৰাজ নামৰ লোকজনৰ বিৰুদ্ধে ৩ বছৰ পূৰ্বে মৰিগাওঁ আৰক্ষী থানাত এগৰাকী নাবালিকাক ধৰ্ষণৰ গোচৰ ৰুজু হৈছিল। আৰক্ষীয়ে এই ঘটনাৰ তদন্ত কৰি পকচ' আদালতত অভিযোগনামা দাখিল কৰিছিল। ইয়াৰ ভিত্তিতে আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পকচ' আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদৰ বিচাৰপীঠে লোকজনক দোষী সাব্যস্ত কৰি ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰি ২০ হাজাৰ টকাৰ জৰিমণা বিহে। আদালতে লগতে জৰিমণা অনাদায়ে অতিৰিক্ত ছমাহৰ কাৰাদণ্ডৰ আদেশ দিয়ে।

০০০০

অসম বিশ্ববিদ্যালয়ৰ চোছিয়েল ৱৰ্ক বিভাগৰ সহকাৰী অধ্যাপক  অজিত কুমাৰ জেনাৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগৰ ভিত্তিত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জাৰি কৰা জাননী অনুসৰি অভিযোগৰ ভিত্তিত বিষয়টো প্ৰথমে বিভাগীয় মুৰববীয়ে পৰীক্ষা কৰি আভ্যন্তৰীণ অভিযোগ সমিতিলৈ প্ৰেৰণ কৰে। অভিযোগৰ নিৰপেক্ষ তদন্ত নিশ্চিত কৰাৰ বাবে অভিযুক্ত অধ্যাপকগৰাকীক এমাহৰ বাধ্যতামূলক ছুটিলৈ প্ৰেৰণ কৰা হয়। এই সময়ছোৱাত তেওঁ বিশ্ববিদ্যালয় চৌহদত প্ৰৱেশ কৰিব নোৱাৰিব আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ সন্মতি অবিহনে ওলাই যাব নোৱাৰিব বুলি জাননীখনত উল্লেখ কৰা হৈছে। এই সমগ্ৰ বিষয়টো তদন্তৰ বাবে এখন সুকীয়া তদন্ত সমিতি গঠন কৰা হব বুলিও জাননীখনত উল্লেখ কৰা হৈছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰ্ৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহী কেপিটেলছে-চানৰাইজাৰ্ছ হায়দৰাবাদক জয়ৰ বাবে ১৩৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দেলহী কেপিটেলছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ১৩৩ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ আশুতোষ শৰ্মাই ৪১ ৰাণ কৰে। ট্ৰিষ্টান ষ্টাবছেও ৪১ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। হায়দৰাবাদৰ হৈ পেটকামিংছে ৩ টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে চানৰাইজাৰ্ছ হায়দৰাবাদে টছত জিকি দেলহী কেপিটেলছক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়।

০০০০

সমাপ্ত